**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 26-OCT-2025

**Time :** 0900 Hrs

***Assamese Morning Bulletin***

***Headlines***

**--------------------**

১। অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনৰ পাঁচ হাজাৰ ৫৫০ টা নিম্ন আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ শিক্ষক পদৰ দ্বিতীয়খন প্ৰাৰম্ভিক মেধা তালিকা প্ৰকাশ।

২। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙৰ তিনিচুকীয়াত নিৰাপত্তা বাহিনীৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠক। আলফা স্বাধীনক আলোচনালৈ আহিবলৈ আহ্বান।

৩। আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ কেইবাগৰাকীও প্ৰাক্তন বিষয়া-বাতৰি পৰিৱেশক মনৰ ভাব প্ৰকাশ।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠান। *আৰু*

৫। গুৱাহাটী মহানগৰীত যানবাহন চলাচলৰ ক্ষেত্ৰত দুদিনৰ বাবে আৰক্ষীৰ নীতি-নিৰ্দেশনা জাৰি।

০০০০০০

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনৰ পাঁচ হাজাৰ ৫৫০ টা নিম্ন আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ শিক্ষক পদৰ দ্বিতীয়খন প্ৰাৰম্ভিক মেধা তালিকা যোৱা নিশা প্ৰকাশ কৰা হয়। ইয়াৰ লগে লগে ৰাজ্যৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ তিনি হাজাৰ ৮০০ টা আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ নিয়মীয়া খালী পদত নিযুক্তিৰ বাবে মুঠ ৮ হাজাৰ ৫৮১ গৰাকী প্ৰাৰ্থীক বাচনি কৰা হৈছে। যোৱা ১০ ছেপ্তেম্বৰত চাৰি হাজাৰ ৩৩১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন প্ৰাৰম্ভিক মেধা তালিকা প্ৰকাশ কৰা হৈছিল। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই মেধা তালিকাৰ ভিত্তিতে চূড়ান্ত তালিকা প্ৰকাশ পাব। দ্বিতীয়খন প্ৰাৰম্ভিক মেধা তালিকাত মাধ্যম অনুসৰি জিলা ভিত্তিত বাচনি লাভ কৰা চাকৰি প্ৰত্যাশিসকলৰ কাট অফ মাৰ্ক সন্নিৱিষ্ট কৰা হৈছে। এই সন্দৰ্ভত ওজৰ-আপত্তি থাকিলে কাইলৈৰ পৰা তিনি দিনলৈ জিলা প্ৰাথমিক সঞ্চালকালয়ত অভিযোগ দাখিল কৰিব পাৰিব। কাইলৈ শিৱসাগৰ, তিনিচুকীয়া, ডিব্ৰুগড়, যোৰহাট, ধেমাজি, লখিমপুৰ, শ্ৰীভূমি আৰু মাজুলী জিলাৰ প্ৰাৰ্থীয়ে অভিযোগ দিব পাৰিব। ২৯ অক্টোবৰত কামৰূপ, গোৱালপাৰা, গোলাঘাট, হাইলাকান্দি, মৰিগাঁও, কামৰূপ মহানগৰ, ধুবুৰী আৰু দৰং জিলাৰ প্ৰাৰ্থীয়ে ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। একেদৰে ৩০ অক্টোবৰত নগাঁও, নলবাৰী, বঙাইগাঁও, শোণিতপুৰ, দক্ষিণ শালমাৰা মানকাচৰ, বৰপেটা আৰু কাছাৰ জিলাৰ প্ৰাৰ্থীয়ে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ত দিনৰ ১০ বজাৰ পৰা বিয়লি ৫ বজাৰ ভিতৰত অভিযোগ দাখিল কৰিব পাৰিব। সঞ্চালকালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে চূড়ান্ত মেধা তালিকা প্ৰকাশ পোৱাৰ লগে লগে দুয়োখন প্ৰাৰম্ভিক মেধা তালিকা স্বয়ংক্ৰিয়ভাৱে নাকচ হ'ব।

০০০০০০

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে কালি তিনিচুকীয়াত নিৰাপত্তা বাহিনীৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। শ্ৰীসিঙে জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত সেনা বাহিনীৰ শীৰ্ষ বিষয়া, চোৰাংচোৱা বিষয়া, শদিয়া আৰু তিনিচুকীয়া আৰক্ষীৰ শীৰ্ষ বিষয়াৰ সৈতে আলোচনা কৰে। এই বৈঠকত শেহতীয়াকৈ তিনিচুকীয়াত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ কাৰ্যকলাপ বৃদ্ধি, সীমান্তৰ নিৰাপত্তা আৰু সেনা বাহিনীৰ শিবিৰত সংঘটিত আক্ৰমণ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। বৈঠকৰ পাছত সাংবাদিকৰ আগত সঞ্চালক প্ৰধানগৰাকীয়ে আলফা

স্বাধীনক আলোচনালৈ আহিবলৈ আহ্বান জনায়। তেওঁ আলোচনাৰ জৰিয়তে সমস্যা সমাধানৰ পোষকতা কৰে। এই বৈঠক সন্দৰ্ভত সঞ্চালক প্ৰধানগৰাকীয়ে এইদৰে কয়–

*(বাইট)*

০০০০০০

১৯৮৫ চনৰ ২৪ মাৰ্চত আৰম্ভণি হোৱা গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগৰ কেবাগৰাকীও পূৰ্বৰ বিষয়া কৰ্মচাৰী আৰু বাতৰি পৰিবেশকৰ মনৰ ভাৱ আৰু অভিজ্ঞতাৰে কালি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত বাতৰি বিভাগৰ প্ৰাক্তন বিষয়া দেবেন তামুলী, মুকুল তালুকদাৰ আৰু শৈলেন্দ্ৰ দাসে প্ৰত্যাহ্বান নেওচি সীমিত সা-সুবিধাৰ মাজত প্ৰথম অৱস্থাত বাতৰি সম্প্ৰচাৰৰ আৰম্ভণিৰ অভিজ্ঞতাৰ কথা ব্যক্ত কৰে। শ্ৰী তালুকদাৰে নিজৰ অভিজ্ঞতা বৰ্ণনা কৰাৰ লগতে গুৱাহাটীৰ দূৰদৰ্শনৰ বাতৰি আৰম্ভ কৰাৰ ক্ষেত্ৰত আকাশবাণী গুৱাহাটীৰ যথেষ্ট অৰিহণা আছে বুলি উল্লেখ কৰে। তেওঁ বৰ্তমান টেলিভিছনৰ বাতৰি পৰিৱেশন ৰীতি সলনি হৈছে বুলি মত প্ৰকাশ কৰে।

*(বাইট ঃ তালুকদাৰ)*

অনুষ্ঠানত প্ৰাক্তন বাতৰি পৰিবেশিকা আৰতী কলিতাই সংকটপূৰ্ণ সময়তো ব্যক্তিগত আবেগ অনুভুতিৰ উৰ্ধলৈ লৈ বাতৰি পৰিবেশনৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰে। তদুপৰি বাতৰি পৰিবেশনৰ ক্ষেত্ৰত ভাষা আৰু উচ্ছাৰণৰ গুৰুত্বৰ বিষয়েও প্ৰকাশ কৰে। একেদৰে প্ৰাক্তন বাতৰি পৰিৱেশিকা বিজু ভড়ালীয়ে নিজৰ সোণালী সময়ৰ অভিজ্ঞতা সোঁৱৰণ কৰি এতিয়াও বহু লোকে তেওঁৰ বাতৰি পৰিৱেশন মনত ৰখা কথাটোক লৈ সন্তুষ্টি ব্যক্ত কৰে।

*(বাইট ঃ বিজু ভৰালী)*

অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৭ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

ষট পূজা উপলক্ষে গুৱাহাটীৰ আৰক্ষী উপআয়ুক্ত কাৰ্যালয়ে কাইলৈ আৰু পৰহিলৈ মহানগৰীখনত যানবাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জৰি কৰিছে। কাইলৈ দিনৰ ১১ বজাৰ পৰা পৰহিলৈ দিনৰ ১১ বজালৈ এই নিৰ্দেশনাসমূহ কাৰ্যকৰী হ'ব। এই অনুসৰি গুৱাহাটী মহানগৰীত এই সময়ছোৱাত সামগ্ৰী পৰিবাহী গধূৰ বাণিজ্যিক বাহন আৰু অন্য গধূৰ বাহন প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। অৱশ্যে মাছখোৱা অঞ্চলত পূজাৰ সামগ্ৰী আৰু ভক্তসকলক কঢ়িয়াই নিয়া বাহনসমূহ চলাচলত অনুমতি দিয়া হ'ব। ঠেলা, ৰিক্সা, ঘোঁৰাগাড়ীকে ধৰি লঘূ বাহনসমূহ মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ ভৱনলৈ পথছোৱাত এই সময়ছোৱাত চলাচলৰ অনুমতি দিয়া হ'ব। তদুপৰি আন্তঃজিলা বাছসমূহ ৰাষ্ট্ৰীয় ঘাইপথেৰেহে চলাচল কৰাৰ অনুমতি দিয়া হৈছে। ভৰলুমুখৰ দিশৰ পৰা চানমাৰি অভিমুখী ছিটী বাছসমূহ এইছ বি ৰোড নাইবা এ টি ৰোডৰ বিকল্প পথ ল'বলৈ কোৱা হৈছে। একেদৰে চানমাৰি দিশৰ পৰা অহা ছিটীবাছ তথা অন্যান্য বাহনসমূহ পাণবজাৰৰ ছেচন ন্যায়াধীশৰ আদালতৰ সন্মুখেৰে ভৰলু মুখলৈ যাবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

গেৰুকামুখত অৱস্থিত সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত সুদীৰ্ঘ ২২ বছৰৰ মূৰত পৰহি পৰীক্ষামূলকভাৱে ২৫০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰাৰ পাছতে বিভিন্ন দল-সংগঠনে প্ৰতিক্ৰিয়া ব্যক্ত কৰে। নিৰ্মাণকাৰী সংস্থা এন এইচ পি চিৰ মুখ্য পৰিচালন সঞ্চালক ভূপেন্দ্ৰ গুপ্তাই জলবিদ্যুৎ প্ৰকল্পটোৰ মুঠ ৮টা টাৰ্বাইনৰ ১ নম্বৰ ইউনিটটো মুকলি কৰি বিদ্যুৎ উৎপাদনৰ শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে ২০০৩ চনৰ পৰা নিৰ্মাণ আৰম্ভ কৰা প্ৰকল্পটোৰ বিৰোধিতাৰে সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতিকে আদি কৰি কুৰিৰো অধিক দল-সংগঠনে প্ৰতিবাদ গঢ়ি তুলিছিল। যাৰফলত এই প্ৰকল্পটোৰ নিৰ্মাণৰ কাম স্থবিৰ হৈ পৰিছিল। ২০১৯ চনত প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ হয় আৰু পৰহি প্ৰথমবাৰৰ বাবে পৰীক্ষামূলকভাৱে ২৫০ মেগাৱাট শক্তি উৎপাদন কৰা হয়। বাকী থকা ৭টা টানেল চলিত বৰ্ষৰ নৱেম্বৰত মুকলি কৰাৰ বাবে বান্ধ নিৰ্মাণকাৰী সংস্থা- এন এইচ পি চিয়ে লক্ষ্য নিৰ্ধাৰণ কৰিছে।

ইপিনে প্ৰকল্পটোৰ পৰা বিদ্যুৎ উৎপাদন আৰম্ভ কৰাৰ সময়তে কালি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে এন এইচ পি চিৰ বিৰুদ্ধে প্ৰতিবাদত মুখৰ হয়। কালি গুৱাহাটীত এখন সংবাদমেলত পৰিষদে গেৰুকামুখত নিৰ্মিত এই বৃহৎ নদীবান্ধে নামনি সোঁৱণশিৰি অঞ্চলৰ ৰাইজৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা সুনিশ্চিত নকৰা পৰ্যন্ত নদীবান্ধ বন্ধ ৰখাৰ দাবী তোলে। এই উদ্দেশ্যে পৰিষদে অহা ২৮ অক্টোবৰৰ পৰা এলানি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সংবাদমেলত ঘোষণা কৰে। পৰিষদে প্ৰতিখন জিলা সমিতিৰ যোগেদি দেশৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীলৈ এই উদ্দেশ্যে স্মাৰক পত্ৰ প্ৰেৰণ কৰিব বুলিও প্ৰকাশ কৰে।

০০০০০০

গোৱালিয়ৰত অনুষ্ঠিত যোড়শ চম্বল আন্তৰ্জাতিক চলচিত্ৰ মহোৎসৱ ২০২৫ত অনচুনী চিখে নামৰ চুটি ছবিখনৰ বাবে আৰক্ষী বিষয়া তথা লেখক, কবি সাহিত্যিক, পৰিচালক ড০ পাৰ্থ সাৰথি মহন্তই শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰিছে। ইয়াৰ পূৰ্বে যোৱা ছেপ্তেম্বৰত মুম্বাইত অনুষ্ঠিত উত্তৰ-পূব ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত উত্তৰ-পূবৰ বিশেষ শিতানত এই ছবিখনে শ্ৰেষ্ঠ পৰিচালক আৰু শ্ৰেষ্ঠ চুটি ছবিৰ বঁটাৰ লগতে বিশিষ্ট অভিনেত্ৰী সীমা বিশ্বাসে শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান অৰ্জন কৰিছিল।

ইপিনে বিশিষ্ট চিত্ৰ ভাস্কৰ্য শিল্পী আদ্য শৰ্মাৰ সোঁৱৰণত অসম নাট্য সন্মিলনে আগবঢ়াই অহা আদ্য শৰ্মা শিল্পী বঁটা এইবেলি চিত্ৰ ভাস্কৰ্যশিল্পী, কলা নিৰ্দেশক তথা অভিনেতা দিগন্ত মাধৱ গোস্বামীক প্ৰদান কৰা হ'ব। শিল্পীগৰাকীয়ে নিজৰ শিল্পকলাৰ অনুষ্ঠান পূৰ্ণ শিল্পমৰ জৰিয়তে শব্দ-সুৰ আৰু শিল্পকলাৰ ক্ষেত্ৰখনত অৱদান আগবঢ়াই আহিছে। অহা ২ নৱেম্বৰত নলবাৰী নাট্যমন্দিৰত দিগন্ত মাধৱ গোস্বামীলৈ আদ্য শৰ্মা শিল্পী বঁটা-২০২৫ আগবঢ়োৱা হ'ব বুলি নাট্য সন্মিলনৰ নলবাৰী জিলাৰ সমিতিৰ সভাপতি আৰু সম্পাদকে প্ৰকাশ কৰিছে।

০০০০০০

নলবাৰীৰ মাজদিয়াস্থিত জিলা নামঘৰত কালিৰে পৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় অংকীয়া নাট সমাৰোহ অনুষ্ঠিত হৈছে। সমাৰোহৰ অনুষ্ঠানত অংশ লৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰী ভৱেন্দ্ৰ নাথ ডেকাই গুৰুজনাই সৃষ্টি কৰা নামঘৰ আৰু অংকীয়া নাটে শৃংখলিত সমাজ নিৰ্মাণৰ প্ৰয়াস কৰিছিল বুলি মত প্ৰকাশ কৰে। এই অনুষ্ঠানত পদাধিকাৰগৰাকীয়ে অংকীয়া নাট সমাৰোহ উপলক্ষে প্ৰকাশিত সাঁচিপাত নামৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰে। কাইলৈ সামৰণি পৰিবলগীয়া এই নাট সমাৰোহত গুৰুজনাৰ কেলিগোপাল নাটখন ছখন জিলাৰ শিল্পীয়ে একেলগে মঞ্চস্থ কৰিব।

০০০০০০

ভাৰতীয় ৰে'লৰে উৎসৱৰ সময়ছোৱাত যাত্ৰীৰ বৰ্ধিত চাহিদা পূৰণৰ বাবে ১২ হাজাৰ ১১ খন বিশেষ ৰে'ল চলাচল কৰোৱাই আছে। যোৱা বছৰৰ এই সময়ছোৱাত সাত হাজাৰ ৭২৪ খন উৎসৱ বিশেষ ৰে'ল চলাচল কৰোৱা

হৈছিল। উত্তৰ-পূব সীমান্ত ৰে'লৰে যোৱা ছেপ্তেম্বৰৰ পৰা ডিচেম্বৰলৈ ৰে'ল পথসমূহত ৬২০ টা যাত্ৰাৰ বাবে ৪৮ খন উৎসৱবিশেষ ৰে'ল চলাচল কৰাই আছে। যাত্ৰীসকলৰ সুবিধাৰ্থে কাতিহাৰ, নিউ জলপাইগুড়ি, গুৱাহাটীকে ধৰি মুখ্য ষ্টেচনসমূহৰ পৰিষৰ, যাত্ৰীৰ সুবিধাৰ্থে বিভিন্ন ব্যৱস্থা, অতিৰিক্ত টিকট কাউণ্টাৰ, স্বয়ংক্ৰিয় টিকট ভেণ্ডিং মেচিনকে ধৰি বিভিন্ন ব্যৱস্থা কৰা হৈছে বুলি উত্তৰ-পূব সীমান্ত ৰে'লৰে প্ৰকাশ কৰিছে।

০০০০০০

ভাৰতীয় জীৱন বীমা নিগমে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত আদানী গোষ্ঠীত ৩৩ হাজাৰ কোটি টকা বিনিয়োগ কৰা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰিত স্থান দিছে।

ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে অসমৰ টোলগেটৰ পৰা যোৱা চাৰিটা বিত্তীয় বৰ্ষত এহেজাৰ ৭৬৭ কোটি টকা মাচুল সংগ্ৰহ কৰিছে। এই বাতৰিটো দৈনিক অসম কাকতে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

ৰাজ্যৰ নাৰী সমাজৰ মৰ্যাদা আৰু অধিকাৰ সুৰক্ষিত কৰাৰ স্বাৰ্থত ৰাজ্যত শীঘ্ৰেই বহু বিবাহ বন্ধ কৰাৰ বাবে চৰকাৰে আইন প্ৰণয়ন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাছাৰ জিলাত কালি আয়োজিত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ অনুষ্ঠানত এই কথা ঘোষণা কৰে। অসমীয়া খবৰ কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিত স্থান দিছে।

অহা ডিচেম্বৰ আৰু জানুৱাৰী মাহত আমেৰিকা আৰু মধ্য প্ৰাচ্যৰ পৰা কেইবা নিযুট বেৰেল খাৰুৱা তেল ভাৰতৰ বন্দৰ পাবহি। বাতৰিটো **ৰাছিয়াক বাদ দি আমেৰিকাৰ পৰা তেল ক্ৰয় আৰম্ভ ভাৰতৰ** শিৰোনামেৰে আমাৰ অসম কাকতে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অন্তিমখন ছবি **ৰৈ ৰৈ বিনালেৰ** টিকটৰ অগ্ৰিম বুকিঙে অভিলেষ গঢ়াৰ বাতৰিটো দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা, দি আছাম ট্ৰিবিউন, দ্যা ছেণ্টিনেল আদি কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

পৰিৱেশ কৰ্মী মেধা পাটেকাৰে শিলসাঁকো আৰু পলাশবাৰীৰ দৰাবিলত উপস্থিত হৈ উচ্ছেদিত তথা স্থানীয় লোকৰ সৈতে মত বিনিময় কৰা বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত মাহমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অহা বৰ্ষৰ জানুৱাৰীত সোণালী জয়ন্তী উদযাপন কৰা হ'ব। এই অনুষ্ঠান সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কালি স্থানীয় বিধায়ক তৰংগ গগৈয়ে বিদ্যালয়খনৰ কৰ্ণধাৰ সমিতিৰ লগতে সোণালী জয়ন্তী উদযাপন সমিতিৰ বিষয়ববীয়া সকলৰ সৈতে আলোচনা মিলিত হয়। ইপিনে বিধায়ক তৰংগ গগৈয়ে অহা ১ নৱেম্বৰৰ পৰা হ'বলগীয়া খেল মহাৰণত অংশগ্ৰহণ কৰিবলগীয়া মাহমৰা বৰপথাৰ পঞ্চায়তৰ ফুটবল দলটোৰ প্ৰস্তুতিৰ বুজ লয়।

০০০০০০

ডিব্ৰুগড় জিলাৰ বৰবৰুৱা শিক্ষাখণ্ডৰ অন্তৰ্গত মানকটা প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ উদ্যোগত অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান কালি বকুল প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। মানকটা প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ উদ্যোগত তিনিখন বিদ্যালয় টিমনা চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰণামী কোঁৱৰ ফুকন, উজনি হাতীমুৰা প্ৰাথমিক বিদ্যালয়ৰ ঊষাৰাণী বৰুৱা আৰু ১৬ নম্বৰ টেমত প্ৰাথমিক বিদ্যালয়ৰ আনন্দ বেহৰাই অৱসৰ গ্ৰহণ কৰাত কালি আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলে শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই **মায়াবিনী** শীৰ্ষক গীতটো পৰিৱেশন কৰাৰ লগতে ঝুমুৰ নৃত্যও প্ৰদৰ্শন কৰে। এই অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকলো উপস্থিত থাকে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে ত্ৰিপুৰাত বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত